**জনসংযোগ, অসম** **চি এম পি আৰ চেল, প্ৰেছ বাৰ্তা ঃ ২৫৩**

# চৰকাৰীভাৱে পালন কৰা হ'ব সৰ্বানন্দ সিংহ দিৱস ঃ মুখ্যমন্ত্ৰী

**দিছপুৰ, ৩০ এপ্ৰিল ঃ** অসমৰ অন্যতম জনগোষ্ঠী মটক সকলৰ পুৰোধা ব্যক্তি থকা ঐতিহাসিক মটক ৰাজ্যৰ ৰজা সৰ্বানন্দ সিংহৰ কৰ্মজীৱন আৰু অসমীয়া জাতি গঠনত আগবঢ়োৱা অৱদান নতুন প্ৰজন্মৰ মাজত দাঙি ধৰাৰ বাবে ৰাজ্য চৰকাৰে সৰ্বানন্দ সিংহ দিৱস চৰকাৰী ভাৱে পালন কৰিব। আনহাতে সৰ্বানন্দ সিংহৰ নামত ৰাজ্য চৰকাৰে প্ৰদান কৰিব এক বঁটা। কালি সন্ধিয়া জনতা ভৱনত মুখ্যমন্ত্ৰী কাৰ্যালয় কক্ষত মুখ্যমন্ত্ৰী সৰ্বানন্দ সোণোৱালৰ সৈতে সদৌ অসম মটক সন্মিলনৰ প্ৰতিনিধি দলৰ মাজত হোৱা আলোচনাত এই সিদ্ধান্ত গ্ৰহণ কৰা হয়।

উল্লেখ্য ঐতিহাসিক মটক ৰাজ্যৰ ৰজা স্বৰ্গদেউ সৰ্বানন্দ সিংহৰ ২১২ তম্ মৃত্যু দিৱস আৰু মটক জনগোষ্ঠীয় সাংস্কৃতিক সমাৰোহখনি অহা ২৪ ৰ পৰা ২৭ মে'লৈ ডিব্ৰুগড় জিলাৰ জেৰাই খেলপথাৰত অনুষ্ঠিত হ'ব। সৰ্বানন্দ সিংহ দিৱস চৰকাৰীভাৱে পালন কৰাৰ উদ্দেশ্যেৰে কালি সন্ধিয়া অনুষ্ঠিত আলোচনাত জনগোষ্ঠীটোৰ বিশিষ্ট ব্যক্তিক্ৰমে অনুপ চেতিয়া, ড° বীৰেন্দ্ৰ কুমাৰ গোঁহাই, বিধায়ক বিনোদ হাজৰিকা, অসমৰ হাইড্ৰ' কাৰ্বন এণ্ড এনাৰ্জী কোম্পানীৰ অধ্যক্ষ পোনাকণ বৰুৱা, সদৌ অসম মটক সন্মিলনৰ সাধাৰণ সম্পাদক কাজল গোঁহাই, মটক ৰাজবংশ উন্নয়ন সমিতিৰ সভাপতি, সম্পাদক যথা ক্ৰমে হেমন্ত গোঁহাই, সৰোজ গোঁহাই, যুৱ ছাত্ৰ সন্মিলনৰ প্ৰতিনিধিৰ উপৰি মুখ্যমন্ত্ৰীৰ মিডিয়া উপদেষ্টা হৃষীকেশ গোস্বামী উপস্থিত আছিল।

সৰ্বানন্দ সিংহ দিৱস আৰু সাংস্কৃতিক সমাৰোহখনি সুচাৰুৰূপে অনুষ্ঠিত কৰিবলৈ যাবতীয় ব্যৱস্থা গ্ৰহণৰ বাবে মুখ্যমন্ত্ৰীয়ে তেওঁৰ মিডিয়া উপদেষ্টা গৰাকীক দায়িত্ব দিয়ে।

পুঃডেঃ / বঃভাঃ
৩০/৪/২০১৭